জনসংযোগ, অসম

মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ

প্ৰেছ বাৰ্তা

**নং ঃ ৬৫/২০২১**

# সৰুসজাই ষ্টেডিয়ামত ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা সংস্থা (ডি আৰ ডি অ')ৰ দ্বাৰা নিৰ্মাণ কৰি থকা ক'ভিড ৰোগীৰ ৩০০ খন বিচনাযুক্ত চিকিৎসালয় পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ২৮ মে' ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সৰুসজাই ষ্টেডিয়ামত ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা সংস্থা (ডি আৰ ডি অ')ৰ দ্বাৰা ক'ভিড ৰোগীৰ বাবে নিৰ্মাণ কৰি থকা ৩০০ বিচনাযুক্ত চিকিৎসালয়খন পৰিদৰ্শন কৰি নিৰ্মাণ কাৰ্যৰ অগ্ৰগতিৰ বুজ লয়।

ইয়াৰ পিছত সাংবাদিকৰ সৈতে হোৱা কথোপকথনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতীয় প্ৰতিৰক্ষা গৱেষণা প্ৰতিষ্ঠানৰ সৈতে ৰাজ্য চৰকাৰে সৰুসজাইত এখন ৩০০ বিচনাযুক্ত হাস্পতাল নিৰ্মাণৰ বাবে বুজাবুজিৰ চুক্তি কৰিছিল। এই হাস্পতালখনত ১০০ টা আই চি ইউ আৰু ২০০ খন অক্সিজেনযুক্ত বিচনা থাকিব। তেওঁলোকে নিৰ্মাণ সম্পূৰ্ণ কৰি এই হাস্পতালখন ৰাজ্য চৰকাৰক গতাই দিব। অহা জুন মাহৰ ৮ বা ৯ তাৰিখে হাস্পতালখন শুভাৰম্ভ কৰা হ'ব। আজি তেওঁ এই কামৰ অগ্ৰাগতিৰ খতিয়ান লোৱাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় অহা জুন মাহৰ ৪ তাৰিখৰ ভিতৰত হাস্পতালখন প্ৰতিষ্ঠানটোৱে ৰাজ্য চৰকাৰক গতাই দিব। ক'ভিড আক্ৰান্তৰ সংখ্যা আৰু ক'ভিডত আক্ৰান্ত হৈ মৃত্যুৰ সংখ্যা হ্ৰাস কিছুদিনৰ ভিতৰতে পাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। কামৰূপ মহানগৰ জিলাৰ ১২ লাখ প্ৰতিষেধক ল'বলগীয়া ব্যক্তিৰ ভিতৰত ৫ লাখক ভেকচিন প্ৰদান কৰি এই দিশত সফলতা লাভ কৰা হৈছে বুলিও তেওঁ কয়। ঠিক তেনেদৰে ডিব্ৰুগড়, তিনিচুকীয়া দৰে ক'ভিডৰ ব্যাপক সংক্ৰমণ হোৱা নগৰ-চহৰত ক'ভিড প্ৰতিষেধক প্ৰদানৰ কাম দ্ৰুততাৰে চলাই যোৱাৰ বাবে ইতিমধ্যে নিৰ্দেশ দিয়া হৈছে বুলিও তেওঁ কয়। অহা ৭ জুনলৈকে জনসাধাৰণক এই দিশত এক ভাল ফলাফল দিব পৰা যাব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

**পুঃডেঃ / বঃভাঃ**
**২৮/০৫/২০২১**